# দিছপুৰ কলেজত 'গীতে-মাতে শীতৰ এসন্ধ্যা'

**গুৱাহাটী, ১২ জানুৱাৰী ঃ** ৰাজ্যৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান দিছপুৰ মহাবিদ্যালয়ৰ উদ্যোগত কালি 'গীতে-মাতে শীতৰ এসন্ধ্যা' শীৰ্ষক অনন্য অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা, কামৰূপ মহানগৰ জিলাৰ মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলৰ লগতে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ড° ধ্ৰুৱজ্যোতি বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্ত, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস, ব্ৰিগেডিয়াৰ অজিত কুমাৰ বৰা, জনপ্ৰিয় অভিনেতা প্ৰাঞ্জল শইকীয়া, কণ্ঠশিল্পী তৰালি শৰ্মা, তৃষ্ণা দেৱী, জীনা ৰজাকুমাৰীকে প্ৰমুখ্য কৰি মহাবিদ্যালয়খনৰ কেইবাটাও বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী আৰু অন্য বহু শুভাকাংক্ষী উপস্থিত থাকে। মহাবিদ্যালয়খনৰ বৰ্তমান আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশন কৰা গীত-মাতৰ এই অনুষ্ঠানে সমগ্ৰ সন্ধ্যাটো জীপাল আৰু উজ্জীৱিত কৰি তোলে। অনুষ্ঠানত উপস্থিত থকা সকলোকে অধ্যক্ষ ড° নৱজ্যোতি বৰাই কৃতজ্ঞতা জ্ঞাপন কৰে।